ৱিকিপিডিয়া
মুক্ত বিশ্বকোষ



# অসমীয়া ৱিকিপিডিয়াৰ উদ্যোগত

# আলোকচিত্ৰ প্ৰতিযোগিতা, ২০২০

৫ ডিচেম্বৰ-২০ ডিচেম্বৰ, ২০২০

**বিষয়ঃ অসম**

- পৰিৱেশ সম্পৰ্কীয়; অসমৰ ফুল-ফল, জীৱ-জন্তু, গছ-লতা, পাহাৰ, খাল-বিল, নৈ-নদ ইত্যাদি,
- নগৰ-চহৰ, গাঁৱলীয়া জীৱনশৈলী সম্পৰ্কীয়,
- অসমৰ উৎসৱ-পাৰ্বন, ৰীতি-নীতি, কলা-সংস্কৃতি,
- থলুৱা সা-সঁজুলি; মাছধৰা সঁজুলি, খেতিৰ সঁজুলি, তাঁতৰ সঁজুলি, পৰম্পৰাগত বাচন-বৰ্তন ইত্যাদি,
- বিভিন্ন কৃষিজাত সামগ্ৰী যেনে-কল, ধান ইত্যাদিৰ প্ৰজাতি,
- অসমৰ ঐতিহ্য বহন কৰা যিকোনো অনুষ্ঠান, প্ৰতিষ্ঠান, ঠাই, ভগ্নাৱশেষ ইত্যাদিৰ আলোকচিত্ৰ,
- যিকোনো বিৰল বিষয়বস্তুৰ আলোকচিত্ৰ ইত্যাদি।

**নিয়মাৱলীঃ**

- প্ৰতিযোগীয়ে নিজেই একাউণ্ট সৃষ্টি কৰি ৱিকিমিডিয়া কমন্সত নিজে তোলা আলোকচিত্ৰ জমা দিব লাগিব।
- আলোকচিত্ৰখন সম্পৰ্কে অসমীয়া বা ইংৰাজী ভাষাত স্পষ্ট ভাষাৰে সংক্ষিপ্ত বৰ্ণনা এটা থাকিব লাগিব।
- প্ৰতিযোগীয়ে একাধিক আলোকচিত্ৰ আপলোড কৰিব পাৰিব।
- চিত্ৰসমূহৰ আকাৰৰ ক্ষেত্ৰত কোনো বাধ্যবাধকতা নাই যদিও ৬৪০x৩৬০ পিক্সেলৰ হ’লে ভাল। প্ৰয়োজনতকৈ ডাঙৰ আৰু অস্পষ্ট ৰূপত থকা সৰু ফাইল আপলোড নকৰিব।
- আপলোডৰ বাবে .png অথবা .jpg যিকোনো এটা এক্সটেনছন ব্যৱহাৰ কৰিব পাৰিব।
- আলোকচিত্ৰ ৰঙীন অথবা ক’লা-বগা হ’ব লাগিব।
- প্ৰতিযোগিতাৰ বাবে আপলোড কৰা প্ৰতিখন আলোকচিত্ৰ প্ৰতিযোগিতাৰ বাবে নিৰ্দিষ্ট কৰি দিয়া শ্ৰেণীৰে সংযোগ কৰিব লাগিব।
- আলোকচিত্ৰৰ কোনো কাল্পনিক অথবা কলাত্মক নামৰ প্ৰয়োজন নাই।
- আলোকচিত্ৰখন ছেল্‌ফি হ’ব নোৱাৰিব অথবা আলোকচিত্ৰশিল্পীজন ফ্ৰেমৰ ভিতৰত থাকিব নোৱাৰিব।
- আলোকচিত্ৰসমূহৰ নাম ইংৰাজী লিপিত লিখিলে গোলকীয় ব্যৱহাৰৰ বাবে সুবিধা হয়। নগাঁৱৰ ধাননি পথাৰৰ আলোকচিত্ৰ দিলে নামটো কেমেৰাত থকাৰ নিচিনাকৈ DSC002.jpg ৰ সলনি ‘View of a paddy field in Nagaon’ জাতীয় হ’ব লাগে।

- ইতিকিংসূচক, যৌনগন্ধী, পক্ষপাতদুষ্ট অথবা সামাজিকভাৱে গ্ৰহণ-অযোগ্য আলোকচিত্ৰ দিব নোৱাৰিব। এনে ক্ষেত্ৰত মতান্তৰ হ'লে বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত বুলি বিবেচনা কৰা হ'ব।
- অতিৰঞ্জিতভাৱে ডিজিটেল এফেক্ট ব্যৱহাৰ কৰিব নোৱাৰিব।
- আলোকচিত্ৰসমূহৰ দৃশ্যমান অংশত কোনো ৱাটাৰমাৰ্ক, কপিৰাইট মাৰ্ক, শিল্পীৰ নাম বা প'ষ্ট-প্ৰডাকছনৰ সময়ত যোগ দিয়া অংশ থাকিব নোৱাৰিব। আলোকচিত্ৰত তাৰিখ আৰু সময়টো থাকিব নোৱাৰিব। চিত্ৰখন কম্প্ৰেছ কৰাৰ সময়ত সাৱধানতা অৱলম্বন কৰিব যাতে ছবিৰ প্ৰয়োজনীয় ডিটেইল্‌ছ কমি নাযায়।
- প্ৰতিযোগীয়ে আপলোড কৰা প্ৰতিখন আলোকচিত্ৰ creative commons attribution share alike অনুজ্ঞাৰ অন্তৰ্ভুক্ত হ'ব। এবাৰ আপলোড কৰাৰ পাছত প্ৰতিযোগীয়ে এই অনুজ্ঞা উঠাই ল'ব নোৱাৰিব। আলোকচিত্ৰখন ৱিকিমিডিয়াৰ বিভিন্ন প্ৰকল্পত প্ৰয়োজনানুসাৰে ব্যৱহাৰ কৰা হ'ব।

**পুৰস্কাৰঃ**

- পুৰস্কাৰ কিতাপৰ টোপোলা, ধনৰাশি, মান-পত্ৰ অথবা ৱিকিপিডিয়াৰ ল'গ'সম্বলিত টি-চাৰ্ট হ'ব পাৰে।

**সহায়ৰ বাবে যোগাযোগ কৰক**

- নয়ন জ্যোতি নাথ (৭০০২০-৯৮৯৪৫)
- ভাস্কৰ জ্যোতি ভূঞা (৮৭৫১৯-৪৩৩৮৭)
- দিব্য দত্ত (৯৮৫৪৬-৭৯২৫৬)
- চন্দন চিৰিং ফুকন (৮০১১৩-১৪৮৮৫)
- ঈশান জ্যোতি বৰা (৯৪০১৪-৪১০৪৪)